**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 10-07-2024
**Time :** 1340 Hrs.

***Assamese Midday Bulletin***
***HEADLINES***

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি ভিয়েনাত অষ্ট্ৰিয়াৰ চেঞ্চেলৰ কাৰ্ল নেহাম্মেৰক সাক্ষাৎ কৰি অনাগত সময়ত ভাৰত আৰু অষ্ট্ৰিয়াৰ মাজৰ বন্ধুত্বপূৰ্ণ সম্পৰ্ক অধিক শক্তিশালী হৈ উঠিব বুলি আশা প্ৰকাশ কৰিছে।

২। ৰাছিয়া আৰু অষ্ট্ৰিয়া ভ্ৰমণলৈ যোৱা প্ৰধানমন্ত্ৰী মোদীক কালি ৰাছিয়াৰ সৰ্বোচ্চ অসামৰিক সন্মান অৰ্ডাৰ অব্ ছেইণ্ট এণ্ড্ৰিউ দা এপষ্টল আনুষ্ঠানিকভাৱে প্ৰদান কৰা হয়।

৩। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীকে ধৰি বিশিষ্ট ব্যক্তিসকলে উত্তৰ প্ৰদেশৰ উন্নাওত আজি পুৱা সংঘটিত পথ দুৰ্ঘটনাক লৈ গভীৰ শোক প্ৰকাশ কৰিছে।

৪। দেশৰ সাতখন ৰাজ্যৰ ১৩টা বিধানসভা সমষ্টিৰ বাবে আজি উপ-নিৰ্বাচন অনুষ্ঠিত হৈছে।

আৰু

৫। ভাৰত আৰু জিম্বাব্ৱেৰ মাজৰ পাঁচখনীয়া টি-২০ ক্ৰিকেট শৃংখলাৰ তৃতীয়খন খেল আজি হাৰাৰে স্প'ৰ্টছ্ ক্লাবত খেলোৱা হ'ব।

ooooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি ভিয়েনাত অষ্ট্ৰিয়াৰ চেঞ্চেলৰ কাৰ্ল নেহাম্মেৰক সাক্ষাৎ কৰে। সামাজিক মাধ্যমযোগে প্ৰচাৰ কৰা এটা বাৰ্তাত শ্ৰী মোদীয়ে তেওঁক আদৰণি জনোৱাৰ বাবে শ্ৰী নেহাম্মেৰক ধন্যবাদ জনোৱাৰ লগতে অনাগত সময়ত ভাৰত আৰু অষ্ট্ৰিয়াৰ মাজৰ বন্ধুত্বপূৰ্ণ সম্পৰ্ক অধিক শক্তিশালী হৈ উঠিব বুলি আশা প্ৰকাশ কৰে। একে সময়তে সমগ্ৰ বিশ্বৰ কল্যাণৰ হকে সহযোগিতাৰে কাম কৰাৰ উদ্দেশ্যে উভয় পক্ষৰ মাজত হ'বলগীয়া আলোচনালৈ আগ্ৰহেৰে বাট চাই থকা বুলিও শ্ৰী মোদীয়ে লগতে প্ৰকাশ কৰে। আনহাতে, অষ্ট্ৰিয়াৰ চেঞ্চেলৰ নেহাম্মেৰেও শ্ৰী মোদীৰ সাক্ষাৎ লাভ কৰি আনন্দ পোৱা বুলি ব্যক্ত কৰাৰ লগতে তেওঁক অষ্ট্ৰিয়ালৈ আদৰণি জনাবলৈ পোৱাটোক সুখ আৰু সন্মানৰ কাৰণ বুলি অভিহিত কৰে। অষ্ট্ৰিয়া আৰু ভাৰত পৰস্পৰৰ বন্ধু তথা সহযোগী বুলি মত প্ৰকাশ কৰি শ্ৰী নেহাম্মেৰেও প্ৰধানমন্ত্ৰী মোদীৰ ভ্ৰমণৰ এই সময়ছোৱাত হ'বলগীয়া ৰাজনৈতিক আৰু অৰ্থনৈতিক বিষয়ৰ আলোচনালৈ আগ্ৰহেৰে অপেক্ষা কৰা বুলি উল্লেখ কৰে।

আমাৰ আগৰ বাতৰিতে কোৱা হৈছে যে ৰাছিয়া আৰু অষ্ট্ৰিয়া ভ্ৰমণলৈ যোৱা প্ৰধানমন্ত্ৰী মোদীক কালি ৰাছিয়াৰ সৰ্বোচ্চ অসামৰিক সন্মান **অৰ্ডাৰ অব্ ছেইণ্ট এণ্ড্ৰিউ দা এপষ্টল** আনুষ্ঠানিকভাৱে প্ৰদান কৰা হয়। দেশখনৰ ৰাষ্ট্ৰপতি ভ্লাডিমিৰ পুটিনে শ্ৰীমোদীক এই সন্মান প্ৰদান কৰে। ভাৰত আৰু ৰাছিয়াৰ মাজত দ্বিপাক্ষিক সম্পৰ্ক বৃদ্ধিত গুৰুত্বপূৰ্ণ অৱদান আগবঢ়োৱাৰ বাবে প্ৰধানমন্ত্ৰী মোদীক এই সন্মান আগবঢ়োৱা হৈছে। দুদিনীয়া ভ্ৰমণসূচীৰে মস্কোত উপস্থিত হোৱা প্ৰধানমন্ত্ৰী মোদী কেইবাটাও কাৰ্যসূচীত অংশগ্ৰহণ কৰাৰ পাছত কালি বিয়লি ৰাছিয়াৰ ৰাষ্ট্ৰপতি পুটিনৰ সৈতে দ্বিপাক্ষিক বৈঠকত মিলিত হয়। আনহাতে শ্ৰীমোদীয়ে মস্কোত কালি প্ৰবাসী ভাৰতীয় সকলৰ সৈতেও মত বিনিময় কৰে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী দুই দেশীয় ভ্ৰমণৰ দ্বিতীয় পৰ্যায়ত কালি অষ্ট্ৰিয়াৰ ৰাজধানী ভিয়েনাত উপস্থিত হয়।

ইপিনে, ভাৰত আৰু ৰাছিয়াই ২০৩০ চনলৈকে এহেজাৰ কোটি ডলাৰৰ বাণিজ্যিক লক্ষ্য স্থিৰ কৰিবলৈ সন্মতি প্ৰকাশ কৰিছে। দুয়োখন দেশে ভিন ভিন ক্ষেত্ৰত সহযোগিতাৰ বাবে ৯খন চুক্তিত স্বাক্ষৰ কৰিছে। ইয়াৰ ভিতৰত পৰিবেশ

আৰু জলবায়ু পৰিৱৰ্তন, মানচিত্ৰ বিজ্ঞান, বিনিয়োগ, বাণিজ্য আৰু ভেষজ অন্যতম। নতুন দিল্লী আৰু মস্কো মহলে লগতে প্ৰসাৰ ভাৰতী আৰু টিভি ন'ৱ'ষ্টিৰ মাজত প্ৰচাৰ ক্ষেত্ৰত সহযোগিতাৰ অৰ্থে বুজাবুজিৰ চুক্তিত স্বাক্ষৰ কৰিছে। মস্কোত কালি সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত বিদেশ সচিব বিনয় মোহন কোৱাট্ৰাই কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু ভ্লাডিমিৰ পুটিনৰ মাজত হোৱা বৈঠকত ঘাইকৈ অৰ্থনৈতিক সহযোগিতাৰ বিষয় লৈ আলোচনা হয়। আলোচনাত ৰাজনৈতিক আৰু অৰ্থনৈতিক ক্ষেত্ৰ, ব্যাপক বাণিজ্য, মূলধনী সম্পৰ্ক, শক্তি, বিজ্ঞান আৰু প্ৰযুক্তি সহযোগিতা, প্ৰতিৰক্ষা আৰু সুৰক্ষা খণ্ডত দুয়ো দেশৰ মাজত সহযোগিতাৰ বিভিন্ন দিশ সামৰি লোৱা হয়।

০০০০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে উত্তৰ প্ৰদেশৰ উন্নাও জিলাৰ লক্ষ্ণৌ-আগ্ৰা এক্সপ্ৰেছৱেত আজি পুৱা কেইবাজনো লোকৰ প্ৰাণহানি হোৱা পথ দুৰ্ঘটনাটোক লৈ গভীৰ শোক প্ৰকাশ কৰিছে। এই দুৰ্ঘটনাত ১৮ জন লোকৰ মৃত্যু হোৱাৰ লগতে ১৯ জন লোক গুৰুতৰভাৱে আহত হৈছে। সামাজিক মাধ্যমযোগে দিয়া এটা বাৰ্তাত ৰাষ্ট্ৰপতিগৰাকীয়ে এই দুৰ্ঘটনাটোৰ বাবে অতিশয় শোক পোৱা বুলি প্ৰকাশ কৰাৰ লগতে ভুক্তভোগী পৰিয়ালসমূহৰ সদস্যসকললৈ গভীৰ সমবেদনা ব্যক্ত কৰে। তদুপৰি তেওঁ দুৰ্ঘটনাটোত আহত লোকসকলৰ আশু-আৰোগ্য কামনা কৰে। একেদৰে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়েও দুৰ্ঘটনাটোত শোক প্ৰকাশ কৰাৰ লগতে এই দুৰ্ঘটনাত প্ৰাণ হেৰুওৱা লোকসকলৰ নিকটাত্মীয়লৈ প্ৰধানমন্ত্ৰীৰ ৰাষ্ট্ৰীয় সাহায্য পুঁজিৰ পৰা ২ লাখ টকাকৈ আৰু আহতসকলৰ চিকিৎসাৰ বাবে ৫০ হাজাৰ টকাকৈ সাহায্য আগবঢ়োৱাৰ কথা ঘোষণা কৰে। উত্তৰ প্ৰদেশৰ মুখ্যমন্ত্ৰী যোগী আদিত্য নাথেও দুৰ্ঘটনাটোত গভীৰ শোক ব্যক্ত কৰাৰ লগতে আহতসকলৰ উপযুক্ত চিকিৎসাৰ ব্যৱস্থা নিশ্চিত কৰাৰ বাবে সংশ্লিষ্ট বিষয়াসকলক নিৰ্দেশ দিয়ে।

উল্লেখযোগ্য যে উন্নাও জিলাৰ বাংগাৰমউৰ সমীপত এখন দুখলপীয়া বাছে গাখীৰ কঢ়িওৱা টেংকাৰ এখনত খুন্দিওৱাৰ ফলত এই লোককেইজন হতাহত হৈছিল। বাছখন বিহাৰৰ সীতামাঢ়িৰ পৰা দিল্লী অভিমুখে গৈ আছিল। বাছখনৰ বেগ ইমানেই তীব্ৰ আছিল যে দুৰ্ঘটনাৰ সময়ত ভালেকেইগৰাকী যাত্ৰী বাছৰ পৰা বাহিৰত ওলাই পৰিছিল। আৰক্ষী আৰু অন্যান্য জৰুৰীকালীন কৰ্মীসকলে পীড়িতসকলক উদ্ধাৰৰ বাবে ততাতৈয়াকৈ ঘটনাস্থলীত উপস্থিত হোৱাৰ লগতে আহতসকলক চিকিৎসালয়লৈ প্ৰেৰণ কৰে।

০০০০০০০০০

নিটি আয়োগৰ বিশেষ কাৰ্যসূচী **সম্পূৰ্ণতা অভিযান** অসমতো অব্যাহত আছে। এই অভিযানৰ অংশ হিচাপে জিলাই জিলাই বিভিন্ন কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। সম্পূৰ্ণতা অভিযানৰ অধীনত অভিলাষী জিলা আৰু উন্নয়ন খণ্ডসমূহত মূলতঃ প্ৰথম তিনি মাহতে পঞ্জীয়নভুক্ত প্ৰসূতিৰ সংখ্যা, সংহত শিশু বিকাশ সেৱাৰ অধীনত প্ৰসূতিৰ পৰিপূৰক খাদ্য যোগান, শিশুৰ সম্পূৰ্ণ ৰোগ প্ৰতিৰোধ ক্ষমতাৰ বৃদ্ধিৰ হাৰ, চৰকাৰে ২০১৫ চনতে কৃষকৰ বাবে আৰম্ভ কৰা ছয়েল হেল্‌থ কাৰ্ডৰ যোগেদি মাটিৰ নমুনা সংগ্ৰহৰ হাৰ, প্ৰতিটো খণ্ডত মধুমেহ আৰু উচ্চ ৰক্তচাপজনিত ৰোগীসকলক চিনাক্তকৰণৰ হাৰ আৰু একোটা উন্নয়ন খণ্ডত থকা আত্মনিৰ্ভৰশীল গোটৰ বিপৰীতে পুঁজি লাভ কৰি থকা গোটৰ হাৰ, বিদ্যুত যোগান থকা মাধ্যমিক পৰ্যায়ৰ বিদ্যালয়ৰ হাৰ তথা পাঠ্যক্ৰম আৰম্ভ হোৱাৰ এমাহৰ ভিতৰতে পাঠ্যপুথি বিতৰণৰ হাৰ বৃদ্ধি কৰাৰ লক্ষ্য লোৱা হৈছে। তিনি মাহজোৰা সম্পূৰ্ণতা অভিযানৰ অংশ হিচাপে নিৰ্বাচিত জনপ্ৰতিনিধিৰ লগতে জিলা তথা খণ্ড বিষয়াসকলে গ্ৰাম সভা, নাটক, পুষ্টিকৰ আহাৰ মেলা, স্বাস্থ্য শিবিৰ, প্ৰদৰ্শনী, সজাগতা সভা আৰু সমদল আদি বিভিন্ন কাৰ্যসূচীৰ আয়োজন কৰা হৈছে।

০০০০০

———দেশৰ সাতখন ৰাজ্যৰ ১৩টা বিধানসভা সমষ্টিৰ বাবে আজি উপ-নিৰ্বাচন অনুষ্ঠিত হৈছে। পশ্চিম বংগৰ ৰায়গঞ্জ, ৰাণাঘাট দক্ষিণ, বাগদা আৰু মানিকতলা, হিমাচল প্ৰদেশৰ হামিৰপুৰ, নালাগড়, উত্তৰাখণ্ডৰ আমৰৱাৰা, মেংগালোৰ,

বিহাৰৰ ৰূপোলি, মধ্যপ্ৰদেশৰ অমৰৱাৰা, তামিলনাডুৰ বিক্ৰৱন্দী আৰু পঞ্জাৱৰ পশ্চিম জলন্ধৰ আসনৰ বাবে উপ-নিৰ্বাচন অনুষ্ঠিত হৈছে। এই বাতৰি যুগুতোৱাৰ পৰলৈ কেউটা সমষ্টিতে সুচাৰুৰূপে ভোটগ্ৰহণ অব্যাহত থকা বুলি আকাশবাণীৰ সংবাদদাতাসকলে জানিবলৈ দিছে।

অহা শনিবাৰে আটাইকেইটা সমষ্টিৰ বাবে ভোটগণনা কৰা হ'ব।

oooooo

অসমৰ মহাবিদ্যালয়সমূহৰ সহকাৰী অধ্যাপক, গ্ৰন্থাগাৰিক আৰু তৃতীয় তথা চতুৰ্থ শ্ৰেণীৰ পদৰ বাবে নিযুক্তি দিবলগীয়া প্ৰাৰ্থীৰ তালিকা প্ৰত্যাহাৰ কৰা হৈছে। ৰাজ্যৰ উচ্চ শিক্ষা বিভাগৰ উপ-সঞ্চালকে আজি এখন জাননীযোগে এই বিষয়ে প্ৰকাশ কৰিছে। জাননীখনত তেওঁ কয় যে ইয়াৰ পূৰ্বে যোৱা ৪ জুলাইত এই সন্দৰ্ভত জাৰি কৰা সংশ্লিষ্ট পত্ৰখন ইতিমধ্যে বাতিল কৰা হৈছে।

উল্লেখযোগ্য যে নিযুক্তিৰ ক্ষেত্ৰত স্থায়ী বাসিন্দাৰ প্ৰমাণপত্ৰ বাধ্যতামূলক নহয় বুলি ৰাজ্যৰ উচ্চ শিক্ষা সঞ্চালকালয়ে পূৰ্বে জাৰি কৰা জাননীখনক লৈ চৰ্চা হোৱাৰ পৰিপ্ৰেক্ষিতত এই তালিকা প্ৰত্যাহাৰৰ সিদ্ধান্ত গ্ৰহণ কৰা হৈছে।

ooooooooo

ভাৰতীয় বতৰ বিজ্ঞান বিভাগে অসমকে ধৰি সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলত অহা ২-৩ দিন ধৰি ধাৰাসাৰ বৰষুণৰ আগলি বতৰা দিছে। বতৰ বিজ্ঞান বিভাগৰ তথ্য অনুসৰি উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যকেইখনৰ লগতে পশ্চিমবংগ, অৰুণাচল প্ৰদেশ, ওড়িশা, মহাৰাষ্ট্ৰ, কৰ্ণাটক, গুজৰাট আদিতো এই সময়ছোৱাত যথেষ্ঠ বৰষুণ হোৱাৰ সম্ভাৱনা আছে। বিশেষকৈ মধ্য ভাৰতত অহা ৪ দিনলৈ বিজুলী-ঢেৰেকণিৰ লগতে বৰষুণ অব্যাহত থাকিব বুলি বতৰ বিজ্ঞান বিভাগে প্ৰকাশ কৰিছে।

oooooooo

জাৰ্মানীৰ মিউনিখৰ আলিয়াঞ্জ এৰেনাত যোৱানিশা অনুষ্ঠিত ইউৰো কাপ ফুটবল প্ৰতিযোগিতাৰ ছেমি ফাইনেলত স্পেইনে ফ্ৰান্সক ২-১ গলত পৰাস্ত কৰে। ফ্ৰান্সৰ হৈ কলো মুৱানীয়ে খেলৰ প্ৰথমাৰ্ধত দলটোৰ হৈ একমাত্ৰ গ'লটো দিয়ে। স্পেইনৰ হৈ লেমিন য়ামল আৰু জুলচ কোন্দে দুটা গ'ল দিয়ে।

বি ভি বি ষ্টেডিয়ন ডৰ্টমুণ্ডত হ'বলগীয়া দ্বিতীয়খন ছেমি ফাইনেলত ইংলেণ্ড নেডাৰলেণ্ডছৰ মুখামুখি হ'ব। অহা সোমবাৰে প্ৰতিযোগিতাৰ ফাইনেল খেল অনুষ্ঠিত হ'ব।

ooooo

ভাৰত আৰু জিম্বাব'ৱেৰ মাজৰ পাঁচখনীয়া টি-২০ ক্ৰিকেট শৃংখলাৰ তৃতীয়খন খেল আজি হাৰাৰে স্প'ৰ্টছ ক্লাবত খেলোৱা হ'ব। খেলখন ভাৰতীয় সময় অনুসৰি বিয়লি চাৰে ৪ বজাত আৰম্ভ হ'ব। শৃংখলাত দুয়োটা দলে এখনকৈ খেলত জয়লাভ কৰিছে। শুভমন গীল নেতৃত্বাধীন ভাৰতীয় যুৱ দলটোৱে আজিৰ খেলখনত জয়লাভ কৰি শৃংখলাত অগ্ৰগতি লাভৰ চেষ্টা চলাব।

ooooooooo

**সমাপ্ত**